# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰত আৰু জাৰ্মানীয়ে ইউক্ৰেইনত চলি থকা যুদ্ধ আৰু এই যুদ্ধৰ ফলত সৃষ্টি হোৱা দুখজনক মানৱীয় দিশসমূহৰ বাবে উদ্বেগ প্ৰকাশ কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ গুৱাহাটীত উপস্থিত হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

৪। উৎসৱৰ সময়ত যাত্ৰীসকলৰ সুবিধাৰ বাবে উত্তৰ ৰে'লৱেই আজিৰে পৰা অহা মাহৰ ৭ তাৰিখলৈ অতিৰিক্ত ১৯৫ খন বিশেষ ৰে'লৰ চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে।

*আৰু*

৫। নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে দ্বিতীয়খন টেষ্টৰ আজি তৃতীয়দিনা কালি ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৯৮ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

ooooo

ভাৰত আৰু জাৰ্মানীয়ে ইউক্ৰেইনত চলি থকা যুদ্ধ আৰু এই যুদ্ধৰ ফলত সৃষ্টি হোৱা ভয়ানক আৰু দুখজনক মানৱীয় দিশসমূহৰ বাবে উদ্বেগ প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত সপ্তম ভাৰত-জাৰ্মানী আন্তঃ চৰকাৰী পৰামৰ্শৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰু জাৰ্মানীৰ চেঞ্চেলৰ অ'লাফ ছ'ল্জে কয় যে, ইউক্ৰেইনত আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি শান্তি প্ৰক্ৰিয়াৰ প্ৰয়োজন আহি পৰিছে। দুয়োগৰাকী নেতাই বিশেষকৈ উন্নয়নশীল দেশসমূহত খাদ্য আৰু শক্তি সুৰক্ষাৰ ক্ষেত্ৰত ইউক্ৰেইনৰ যুদ্ধৰ নেতিবাচক প্ৰভাব সন্দৰ্ভতো আলোচনা কৰে। তেওঁলোকে এই যুদ্ধত পৰমাণু অস্ত্ৰৰ প্ৰয়োগ কৰা হ'ব বুলি কৰা হুংকাৰক স্বীকাৰ কৰা নহ'ব বুলিও প্ৰকাশ কৰে। নেতা দুগৰাকীয়ে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদে ঘোষণা কৰা উগ্ৰপন্থী সংগঠনসমূহৰ বিৰুদ্ধে একত্ৰিত প্ৰয়াস কৰাৰ বাবেও আহ্বান জনায়। তেওঁলোকে পশ্চিম এছিয়াত শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে যোৱা বছৰ ৭ অক্টোবৰত পেলেষ্টাইনৰ সশস্ত্ৰ গোট হামাছৰ আক্ৰমণকো গৰিহণা দিয়ে। তেওঁলোকে গাজাত বহু সংখ্যক নাগৰিকৰ মৃত্যুৰ বাবে গভীৰ শোক প্ৰকাশ কৰে আৰু অঞ্চলটোত অতি সোনকালে সংঘৰ্ষ বিৰাম আৰু মানৱীয় সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰতো জোৰ দিয়ে। তেওঁলোকে কয় যে, এই সংঘৰ্ষক প্ৰতিৰোধ কৰাৰ বাবে চুবুৰীয়া দেশসমূহে নিজৰ দায়িত্ব পালন কৰিব লাগিব। ভাৰত আৰু জাৰ্মাণীয়ে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সমৃদ্ধি আৰু সুৰক্ষাৰ

ক্ষেত্রত গুৰুত্ব আৰোপ কৰে। এই অঞ্চলটোত সহযোগিতা বৃদ্ধি কৰাৰ লগতে সামুদ্ৰিক চলাচল নিৰীক্ষণ কৰাৰ বাবে জাৰ্মানীয়ে হাৰিয়ানাৰ গুৰুগ্ৰামত এটা স্থায়ী কেন্দ্ৰ স্থাপন কৰিব।

০০০০০

ভাৰত আৰু ইটালীয়ে উভয় দেশৰ সংস্থাসমূহৰ জৰিয়তে এটা সুৰক্ষিত আৰু সুস্থিৰ চাইবাৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে সহযোগিতা ত্বৰান্বিত কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত প্ৰথম চাইবাৰ বৈঠকত দুয়োখন দেশে চাইবাৰ ভাবুকিৰ পৰিৱেশ আৰু ৰাষ্ট্ৰীয় চাইবাৰ কৌশলৰ বিষয়ে মত বিনিময় কৰে। বিশেষ তথ্যৰ আন্তঃগাঁথনিৰ সুৰক্ষা আৰু সামৰ্থ্য বিকাশৰ উদ্যমৰ ব্যৱস্থাৰ বিষয়েও দুয়োপক্ষই আলোচনা কৰে। বৈঠকত উভয় দেশে বহুপাক্ষিক মঞ্চসমূহ, বিশেষকৈ ৰাষ্ট্ৰসংঘৰ চাইবাৰ ডমেইনৰ শেহতীয়া উন্নয়নৰ লেখীয়া সহযোগিতামূলক সুযোগসমূহৰ বিষয়েও আলোচনা কৰে। এই দ্বিপাক্ষিক বৈঠকত বিদেশ মন্ত্ৰালয়ৰ চাইবাৰ কূটনীতি শাখাৰ যুটীয়া সচিব অমিত শুক্লাই সহ-অধ্যক্ষতা কৰে।

বৈঠকত ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ, ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয় আৰু ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দলৰ বিষয়াসকলে ভাৰতৰ প্ৰতিনিধি হিচাপে ভাগ লয়। ইপিনে ইটালীৰ ৰাষ্ট্ৰীয় চাইবাৰ নিৰাপত্তা সংস্থা, ডাক আৰক্ষী আৰু চাইবাৰ সুৰক্ষা সেৱাৰ লগতে নতুন দিল্লীত থকা ইটালীৰ দূতাবাসৰ বিষয়াই দেশখনৰ প্ৰতিনিধি হিচাপে বৈঠকখনত অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে বিগত বৰ্ষৰ মাৰ্চত ইটালীৰ প্ৰধানমন্ত্ৰীয়ে ভাৰত ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে চাইবাৰ পৰিৱেশৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সম্প্ৰসাৰণৰ বাবে সন্মতি প্ৰকাশ কৰিছিল।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত  তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰখ্যাত পদাৰ্থবিজ্ঞানী ৰোহিনী গোড়বোলেৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে প্ৰয়াত বিজ্ঞানীগৰাকীক এগৰাকী অগ্ৰণী বিজ্ঞানী আৰু উদ্ভাৱক হিচাপে প্ৰশংসা কৰি কয় যে তেওঁ বিজ্ঞানৰ জগতত মহিলাৰ অংশগ্ৰহণৰ সমৰ্থক আছিল। প্ৰয়াত বিজ্ঞানীগৰাকীৰ শৈক্ষিক প্ৰচেষ্টাই পৰৱৰ্তী প্ৰজন্মসমূহক পথ প্ৰদৰ্শন কৰি যাব বুলি তেওঁ উল্লেখ কৰে।

০০০০০

দেৱালী, ষঠপূজাৰ লগতে বিভিন্ন উৎসৱৰ সময়ত যাত্ৰীসকলৰ সুবিধাৰ বাবে উত্তৰ ৰে'লৱেই আজিৰে পৰা অহা মাহৰ ৭ তাৰিখলৈ অতিৰিক্ত ১৯৫ খন বিশেষ ৰে'লৰ চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। এই ৰে'লসমূহ প্ৰধানতঃ নতুন দিল্লী আৰু আনন্দ বিহাৰ ৰে'লৱে ষ্টেচনৰ পৰা দেশৰ পূব অংশৰ বিভিন্ন ঠাইলৈ চলাচল কৰিব। আকাশবাণী বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত উত্তৰ ৰে'লৱেৰ মহাপ্ৰবন্ধক অশোক কুমাৰ বাৰ্মাই কয় যে, যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰে'ল বিভাগে ৰে'লসমূহত এক লাখ ৭০ হাজাৰতকৈ অধিক অতিৰিক্ত আসনৰ ব্যৱস্থা কৰিছে। তেওঁ লগতে কয় যে, এই বিশেষ ৰে'লসমূহত অসংৰক্ষিত শ্ৰেণীৰ যাত্ৰীসকলৰ বাবে প্ৰায় ৫৪ হাজাৰ অতিৰিক্ত আসন সংযোজন কৰা হৈছে। তেওঁ কয় যে, যাত্ৰীৰ বৰ্ধিত সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি নতুন দিল্লী আৰু আনন্দ বিহাৰ ৰে'লৱে ষ্টেচনত যাত্ৰীসকলৰ বাবে বিশেষ জিৰণি স্থানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ নতুন দিল্লীৰ ৰে'লৱে ষ্টেচনৰ পৰা যাবলগীয়া ৰে'ল গাড়ীসমূহ ষ্টেচনটোৰ প্লেটফৰ্ম নম্বৰ ১৬ৰে চলাচল কৰিব বুলিও প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে গৱেষণা ক্ষেত্ৰৰ সহযোগিতাক অষ্ট্ৰেলিয়া আৰু ভাৰতৰ সমন্বয়ৰ আধাৰ হিচাপে আখ্যা দিছে। ছিডনীত অনুষ্ঠিত এটা অনুষ্ঠানত অষ্ট্ৰেলিয়াত অধ্যয়নৰত ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি তেওঁ শিক্ষাৰ্থীসকলক উভয় দেশৰ ভৱিষ্যতৰ বাবে অৱদান যোগাবলৈ উৎসাহিত কৰে। শ্ৰীপ্ৰধানে কয় যে ছাত্ৰ-ছাত্ৰীসকলে ৰবটিক্স, ৰাসায়নিক পদাৰ্থ, কৃত্ৰিম বুদ্ধিমত্তা, উৎপাদন, নগৰ পৰিকল্পনা আদিৰ সৈতে জড়িত অত্যাধুনিক গৱেষণাৰ কাম কৰি আছে। মন্ত্ৰীগৰাকীয়ে ছিডনীৰ মেকুৱেৰী বিশ্ববিদ্যালয়ৰ মেকুৱেৰী পাৰ্ক উদ্ভাৱন জিলাও পৰিদৰ্শন কৰে।

০০০০০

কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰণ সংস্থা- চি ডি এছ চি অ'ই চাৰিবিধ ঔষধৰ নিৰ্বাচিত বেটছক ভুৱা হিচাপে চিহ্নিত কৰিছে। সংস্থাই কৰা পৰীক্ষাত প্ৰায় তিনি হাজাৰ নমুনাৰ ভিতৰত ৪৯বিধ ঔষধ কম ফলপ্ৰসূ বুলি ধৰা পৰে। অৱশ্যে নমুনা সংগ্ৰহ কৰা মুঠ ঔষধৰ ভিতৰত মাত্ৰ প্ৰায় ১.৫ শতাংশহে কম ফলপ্ৰসূ হিচাপে চিহ্নিত হৈছে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ভাৰতৰ ঔষধ মহানিয়ন্ত্ৰক ৰাজীৱ সিং ৰঘুবংশীয়ে কয় যে সংস্থাৰ সজাগ পদক্ষেপ আৰু তীক্ষ্ণ নিৰীক্ষণে কম কাৰ্যকৰী ঔষধৰ শতকৰা হাৰ চকুত লগা ধৰণে হ্ৰাস কৰিছে।

00000

দেশৰ বিভিন্ন ৰাজ্যৰ ৪৭ টা বিধানসভা সমষ্টি আৰু কেৰালাৰ ৱাইনাড সংসদীয় আসনৰ উপ-নিৰ্বাচনৰ মনোনয়ন প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। উত্তৰ প্ৰদেশৰ ৯টা বিধানসভা সমষ্টি, ৰাজস্থানৰ ৭টা, পশ্চিম বংগৰ ৬টা, অসমৰ ৫টা, বিহাৰ আৰু পাঞ্জাবৰ ৪টাকৈ বিধানসভা সমষ্টিৰ লগতে কৰ্ণাটকৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। কেৰালা, মধ্যপ্ৰদেশ আৰু ছিকিমৰ দুখনকৈ আসনৰ লগতে ছত্তিশগড়, গুজৰাট আৰু মেঘালয়ৰ এখনকৈ আসনৰ বাবেও উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই আটাইকেইটা সমষ্টিত অহা ১৩ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। একেদিনাই ৱাইনাড সংসদীয় সমষ্টিৰ বাবেও নিৰ্বাচন অনুষ্ঠিত হ'ব। আনহাতে মহাৰাষ্ট্ৰৰ নান্দেত লোকসভা আসন আৰু উত্তৰাখণ্ডৰ কেদাৰনাথ বিধানসভা আসনৰ বাবে অহা ২০ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

00000

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। ৰাজ্যখনৰ ধলাই, চামগুৰি, বিহালী, ছিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে কালি অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। অহা সোমবাৰে এই মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। বিজেপিয়ে তিনিটা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰিছে। আনহাতে ইউ পি পি এল আৰু অসম গণ পৰিষদে এখনকৈ আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। বিৰোধী দল কংগ্ৰেছে আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থীত্ব দিছে। আম আদমী পাৰ্টীয়ে দুখন আৰু বি পি এফে এখন আসনত প্ৰাৰ্থীত্ব দিছে।

00000

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি তৃতীয়দিনা নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। কালি খেলৰ সামৰণিৰ পৰলৈকে দলটোৱে ৫ উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত ১৯৮ ৰান সংগ্ৰহ কৰি খেলি আছিল। দলটোৰ হৈ গ্লেন ফিলিপছে ২৯টা বলত ৯ ৰান আৰু টম ব্লাণ্ডেলে ৩০ ৰান কৰি অপৰাজিত হৈ আছে। আলহী দলটো হাতত ৫টা উইকেট বাকী থকা অৱস্থাত ভাৰততকৈ সামগ্ৰিকভাৱে ৩০১ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ২৫৯ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে ১৫৬ ৰানতে প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ মিছেল চেণ্টনাৰে প্ৰথম ইনিংছত ৭টা উইকেট দখল কৰে। নিউজিলেণ্ড এই তিনিখনীয়া শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। আলহী দলটোৱে বাংগালুৰুত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক ৮ উইকেটত পৰাস্ত কৰিছিল।

00000

**সমাপ্ত**